**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। অসমৰ ঐতিহাসিক মৈদামসমূহ ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২। সংসদৰ বাজেট অধিবেশন আজিৰে পৰা আৰম্ভ। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সদনত ২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক জৰীপ দাখিল।

৩। ৰাজ্যৰ বানাক্ৰান্তৰ সহায়ৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনৰ দুই কোটি টকা প্ৰদান।

৪। বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদ কাৰ্যসূচীৰ মাজতে বৰ্তমানলৈকে ৪ হাজাৰ ৫০০ৰো অধিক ভাৰতীয় শিক্ষাৰ্থীৰ দেশলৈ প্ৰত্যাৱৰ্তন।

*আৰু*

৫। পেৰিছ্ অলিম্পিকত ভাগ ল'বলগীয়া ভাৰতীয় খেলুৱৈসকললৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ আৰ্থিক সাহায্য ঘোষণা।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, অসমৰ ঐতিহাসিক মৈদামসমূহ ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। তেওঁ কয় যে, এয়া হ'ব দেশৰ ৪৩ সংখ্যক তথা উত্তৰ-পূব ভাৰতৰ প্ৰথমটো বিশ্ব ঐতিহ্য ক্ষেত্ৰ যাক সাংস্কৃতিক বিশ্ব ঐতিহ্যৰ আখ্যা দিয়া হ'ব।

প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰে। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰত গোলকীয় সহযোগিতা প্ৰচাৰ তথা ঐতিহ্য সংৰক্ষণৰ প্ৰচেষ্টাত স্থানীয় সম্প্ৰদায়সমূহক জড়িত কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ। ভাৰতৰ ঐতিহ্য কেৱল এটা ইতিহাসেই নহয়, বৰং বিজ্ঞানো বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, বিগত বছৰসমূহত চৰকাৰে ৩৫০ৰো অধিক প্ৰাচীন ঐতিহ্যক্ষেত্ৰ পুনৰুদ্ধাৰ কৰিছে। শ্ৰীমোদীয়ে উল্লেখ কৰে যে, এই প্ৰাচীন ঐতিহ্যক্ষেত্ৰসমূহ পুনৰুদ্ধাৰ কৰাটোৱে গোলকীয় উদাৰতা আৰু ইতিহাসৰ প্ৰতি সন্মানকে প্ৰতিফলিত কৰে। তেওঁ কয় যে, বিশ্বৰ আটাইতকৈ পুৰণি সভ্যতাসমূহৰ অন্যতম ভাৰতত বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশন অনুষ্ঠিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতে ইউনেস্কোৰ বিশ্ব ঐতিহ্য কেন্দ্ৰলৈ ১০ লাখ ডলাৰৰ অনুদান আগবঢ়োৱাৰ কথাও ঘোষণা কৰে। তেওঁ কয় যে, এই অনুদান দক্ষতা নিৰ্মাণ, প্ৰযুক্তিগত সহযোগিতা তথা বিশ্ব ঐতিহ্য ক্ষেত্ৰসমূহৰ সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰা হ'ব। বিশেষকৈ গোলকীয় দক্ষিণৰ দেশসমূহৰ বাবে

এই অনুদান ব্যৱহাৰ কৰা হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বিকাশ তথা ঐতিহ্য হৈছে ভাৰতৰ দৰ্শন। বিগত ১০ বছৰত ভাৰতে আধুনিক বিকাশৰ নতুন নতুন মাত্ৰা স্পৰ্শ কৰাৰ লগতে ইয়াৰ ঐতিহ্যসমূহ সংৰক্ষণৰ বাবে অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, বিশ্ব ঐতিহ্য সমিতিৰ বৈঠক প্ৰতি বছৰে এবাৰকৈ অনুষ্ঠিত হয়। এই সমিতিয়ে বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয় চোৰা-চিতা কৰাৰ লগতে বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া ক্ষেত্ৰসমূহৰ সিদ্ধান্ত গ্ৰহণ কৰে। অধিৱেশনত বিশ্ব ঐতিহ্য তালিকাত মনোনীত নতুন ক্ষেত্ৰৰ বাবে প্ৰস্তাৱ, বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০

সংসদৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব। ১২ আগষ্টত সমাপ্ত হ'বলগীয়া এই অধিৱেশনত ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, অধিবেশনৰ প্ৰথম দিনা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত ২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক জৰীপ দাখিল কৰিব। ইয়াৰ জৰিয়তে অৰ্থব্যৱস্থাৰ বিভিন্ন খণ্ডৰ পাৰিসাংখ্যিক তথ্য আৰু বিশ্লেষণ আগবঢ়োৱা হ'ব। বিত্তমন্ত্ৰীগৰাকীয়ে কাইলৈ সদনত ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। একেদিনাই কেন্দ্ৰীয়শাসিত অঞ্চল জম্মু আৰু কাশ্মীৰৰ বাবেও ২০২৪ বৰ্ষৰ বাজেট দাখিল কৰা হ'ব। বাজেট অধিৱেশনত সংসদত ছখন নতুন বিধেয়ক দাখিল কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক,  বইলাৰ বিধেয়ক, ভাৰতীয় বায়ুযান বিধেয়ক, কফিৰ প্ৰসাৰ আৰু উন্নয়ন বিধেয়ক আৰু ৰবৰৰ প্ৰসাৰ আৰু উন্নয়ন বিধেয়ক অন্যতম।

ইপিনে, সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কালি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয় যে, চৰকাৰ যিকোনো বিষয় সন্দৰ্ভত বিতৰ্কৰ বাবে সাজু  আছে। সংসদৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াটো চৰকাৰ তথা বিৰোধী উভয় পক্ষৰে দায়িত্ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীৰিজিজুৱে বাজেট অধিৱেশন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সকলোৰে সহযোগিতা কামনা কৰে। ইফালে, কংগ্ৰেছে অধিৱেশনত নীটৰ প্ৰশ্নকাকত ফাদিল গোচৰ, ৰে'লৰে সুৰক্ষা, অগ্নিবীৰ আঁচনি, কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক তথা মণিপুৰ আৰু জম্মু-কাশ্মীৰৰ সুৰক্ষা পৰিস্থিতিৰ বিষয়সমূহ আলোচনাৰ বাবে দাবী জনায়। সামাজিক মাধ্যমৰ এটা পোষ্টত দলৰ নেতা জয়ৰাম ৰমেশে তেওঁৰ দলে দেশৰ অৰ্থ ব্যৱস্থা সম্পৰ্কীয় বিষয়সমূহো বাজেট অধিৱেশনত আলোচনাৰ বাবে দাবী জনাই বুলি উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ বান পীড়িত ৰাইজলৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে দুই কোটি টকাৰ সাহায্য আগবঢ়াইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম এক্স যোগে এই কথা প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এই বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীক এই মহানুভৱতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

আনহাতে অসম আৰক্ষীৰ গৃহিনী কল্যাণ সংস্থাই বান সাহায্য হিচাপে চৰকাৰলৈ আঢ়ৈ লাখ টকা আগবঢ়াইছে। কালি মন্ত্ৰী পীযুষ হাজৰিকাৰ হাতত অসম আৰক্ষীৰ গৃহিনী কল্যাণ সংস্থাই বান সাহায্যৰ বাবে সংগৃহীত এই টকাখিনি আৰু কিছু খাদ্য সামগ্ৰী অৰ্পন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কমপুৰৰ

বিধায়ক দিগন্ত কলিতা, অসম আৰক্ষী গৃহিনী কল্যাণ সংস্থাৰ সভানেত্ৰী ড০ অনামিকা সিং, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙকে ধৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত  স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদ কাৰ্যসূচীৰ মাজতে ৪ হাজাৰ ৫০০ৰো অধিক ভাৰতীয় শিক্ষাৰ্থী দেশলৈ ঘূৰি আহিছে। ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তই ভাৰতীয় নাগৰিকসকলক সীমান্ত এলেকালৈকে নিৰাপদে যাত্ৰা কৰাৰ ব্যৱস্থা কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, নেপালৰ ৫০০ গৰাকী, ভূটানৰ ৩৪ গৰাকী আৰু মালদ্বীপৰ এগৰাকী শিক্ষাৰ্থীও ভাৰতত উপস্থিত হৈছে।

উল্লেখযোগ্য যে, বাংলাদেশৰ ঢাকা, মানিকগঞ্জ, বগুৰাকে ধৰি বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত অসমৰ ধুবুৰী আৰু গৌৰীপুৰৰ মুঠ ছজন ছাত্ৰ-ছাত্ৰীক ভাৰতীয় উচ্চায়ুক্তৰ উদ্যোগত ঘূৰাই অনা হৈছে। একেদৰে শিৱসাগৰ জিলাৰো এজন ছাত্ৰ ঘূৰি আহিবলৈ সমৰ্থ হৈছে। ভাৰত-বাংলাদেশ সীমান্তৰ কৰিমগঞ্জ সূতাৰকান্দি সংহত পহৰা চকীৰ জৰিয়তেও ৪১ গৰাকী ভাৰতীয় ছাত্ৰ-ছাত্ৰী বাংলাদেশৰ পৰা স্বদেশলৈ উভতি আহিছে। কৰিমগঞ্জ জিলা প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ আৰু বাংলাদেশৰ পৰা অহা ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়টোক তদাৰক কৰিবলৈ এজন দণ্ডাধীশক দায়িত্ব অৰ্পণ কৰিছে।

আনহাতে, ত্ৰিপুৰা-বাংলাদেশ সীমান্ত সুৰক্ষা চকীৰে প্ৰায় ৩৭০ গৰাকী ছাত্ৰ-ছাত্ৰী ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰিছে বুলি সীমা সুৰক্ষা বলে জানিবলৈ দিছে।

০০০০০০০

আন্তৰ্জাতিক গণিত অলিম্পিয়াডত ভাৰতীয় দলে চাৰিটা স্বৰ্ণ আৰু এটা ৰূপৰ পদকেৰে চতুৰ্থ স্থান লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিশ্বজুৰি উচ্চ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই

অলিম্পিয়াডত ভাৰতৰ ছজনীয়া ছাত্ৰ দলে অংশগ্ৰহণ কৰিছিল। ইয়াৰে আনন্দ ভাদুৰী হৈছে গুৱাহাটীৰ সৰলা-বিৰলা জ্ঞানজ্যোতি বিদ্যালয়ৰ ছাত্ৰ। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আন্তৰ্জাতিক গণিত অলিম্পিয়াডত সোণৰ পদক অৰ্জন কৰাৰ বাবে ছাত্ৰগৰাকীলৈ শুভেচ্ছা জনাইছে। আনন্দ ভাদুৰীৰ এই সাফল্যই ৰাজ্যখনৰ আন ছাত্ৰ-ছাত্ৰীসকলক গণিতৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

বিশেষ ন্যায়াধীশৰ আদালতে আজি অসম লোকসেৱা আয়োগৰ বহু চৰ্চিত কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰীৰ গোচৰৰ ৰায়দান কৰিব। দীৰ্ঘদিন ধৰি চলা শুনানিৰ অন্তত বিশেষ আদালতে আজি পুৱা চাৰে ১০ বজাত গোচৰটোৰ ৰায়দানৰ সময় নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি সকলো অভিযুক্তক আদালতৰ মজিয়াত আজি উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে ৰাকেশ কুমাৰ পাল অধ্যক্ষ হৈ থকাৰ সময়ত কৃষি উন্নয়ন বিষয়া নিযুক্তিৰ নামত ব্যাপক ধনৰ লেনদেন হোৱা বুলি এজন প্ৰাৰ্থীয়ে ২০১৭ চনতে গুৱাহাটীৰ ভঙাগড় থানাত এখন এজাহাৰ দাখিল কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিতে ৰাকেশ কুমাৰ পালসহ বহুকেইজন অভিযুক্তক পূৰ্বে ভঙাগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আদালতে দীৰ্ঘদিন ধৰি বিভিন্ন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰি আজি গোচৰৰ ৰায়দানৰ দিন ধাৰ্য কৰিছে।

০০০০০০০

মৰিগাঁৱৰ স্বেচ্ছাসেৱী অগ্ৰণী অনুষ্ঠান বান্ধৈ ৮৪ৰ উদ্যোগত পশুপালন-পশু চিকিৎসা বিভাগ আৰু ভাৰতীয় চিকিৎসা সন্থাৰ সহযোগত শিঙিমাৰীৰ বানাক্ৰান্তৰ মাজত এখন স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই স্বাস্থ্য শিবিৰত পশুধনৰ লগতে পাঁচ শতাধিক লোকক চিকিৎসা প্ৰদান কৰা হয়। মৰিগাঁও জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত আয়ুক্ত সংগীতা বৰঠাকুৰ আৰু প্ৰাঞ্জল বৰুৱা উপস্থিত থাকি বানাক্ৰান্ত ৰাইজক স্বাস্থ্য সম্পৰ্কে সজাগতামূলক বক্তব্য আগবঢ়ায়। চিকিৎসা শিবিৰটোত ভাৰতীয় চিকিৎসা বিষয়া সন্থাৰ মৰিগাঁও জিলা সম্পাদক তথা বান্ধৈ ৮৪ৰ সম্পাদক ডাঃ জয়ন্ত কুমাৰ নাথ, সভাপতি গোপী বৰঠাকুৰ, ডাঃ গৌতম মালাকাৰ সমন্বিতে চিকিৎসাকৰ্মীসকলে বানাক্ৰান্তৰ লগতে পশুধন চিকিৎসা সেৱা আগবঢ়ায়।

০০০০০০০

পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় খেলুৱৈসকলক আৰ্থিক সহায়ৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড, বি চি চি আইৰ সচিব জয় শ্বাহে ভাৰতীয় অলিম্পিক সংস্থাক ৮ কোটি ৫০ লাখ টকা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই আৰ্থিক সাহায্যৰ বাবে বি চি চি আইক ধন্যবাদ জ্ঞাপন কৰিছে। অহা ২৬ জুলাইত আৰম্ভ হ'বলগীয়া পেৰিছ অলিম্পিকত ৭০ জন পুৰুষ, ৪৭ গৰাকী মহিলাকে ধৰি ১১৭ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ লগতে ১৪০ গৰাকী সহায়কাৰী সদস্য পেৰিছ অলিম্পিকলৈ যাত্ৰা কৰিব। সামাজিক মাধ্যমৰ এটা পোষ্টত জয় শ্বাহে ২০২৪ চনৰ পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতৰ প্ৰতিযোগীসকলৰ বাবে এই ঘোষণা কৰিবলৈ পাই আনন্দিত বুলি প্ৰকাশ কৰিছে।

০০০০০০০

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে কালি সংযুক্ত আৰব আমেৰিক ৭৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ

ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উই এ ই-এ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৩ ৰানহে কৰিবলৈ সক্ষম হয়। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈকে ৪ পইণ্ট লাভ কৰি শৃংখলাটোত আগবাঢ়ি আছে। প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

Newspaper Review/RNU (22-07-2024/0900 Hrs.) 322

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ ভিতৰত **অসমীয়া প্ৰতিদিন** কাকতে সম্ভাৱণাপূৰ্ণ চৰকাৰী ভূমি লিজত দিব বুলি মুখ্য বাতৰি প্ৰকাশ কৰিছে। অসমলৈ বিশেষ পেকেজৰ আশা ক্ষীন- এই শিৰোনামেৰে **দৈনিক অসম** কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। শিক্ষাসেঁতু প'ৰ্টেলৰ আসোঁৱাহ নিৰাময়ৰ চেষ্টা এই বাতৰিটো মুখ্য বাতৰি হিচাপে **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। লোক পিয়লক লৈ অনিশচয়তা, ১৩ বছৰত জনগাঁথনিত ব্যাপক পৰিৱৰ্তন আৰু যুঁজুধান বিৰোধীয়ে কঁপাব সংসদ এই শিৰোনামেৰে ক্ৰমে **অসমীয়া খবৰ** আৰু **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাংলাদেশত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ বাতৰিক **দৈনিক অগ্ৰদূত** আৰু **আমাৰ অসম** কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **দি আছাম ত্ৰিবিউন** আৰু **দ্যা চেণ্টিনেল** কাকতে ক্ৰমে Opp raises NEET paper leak at all-party meet শিৰোনামেৰে আৰু New Development Bank approves USD 333 million শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যসভাত ৰুলিঙক সমালোচনা কৰিব নোৱাৰিব সাংসদসকলে এই বাতৰিটোক **অসমীয়া খবৰ** কাকতৰ লগতে অন্য কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। আলুৰ দাম অস্বাভাৱিকভাৱে বৃদ্ধি হোৱাৰ বাতৰিক কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। গুৰু পূৰ্ণিমাৰ দিনাই কেদাৰ নাথত পাহাৰ খহি ৫ জন ভক্ত নিহত হোৱাৰ লগতে অসমৰ বহু লোক আবদ্ধ হৈ থকাৰ বাতৰিটো **আমাৰ অসম** কাকতে **আজিৰে পৰা সংসদৰ বাজেট অধিৱেশন** আৰম্ভ হোৱাৰ বাতৰিটোৰ সৈতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটীৰ কদৰ্য অৱস্থাৰ অৱসান ঘটোৱাৰ সংকল্পৰে পৌৰ নিগমৰ **চাফাই আপনাও বিমাৰী ভগাও** শীৰ্ষক অভিলাষী অভিযান আৰম্ভ হোৱাৰ বাতৰিটো আৰু ৰাজ্য চৰকাৰে এন ডি আৰ এফৰ পৰা বান পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৫০০ কোটি টকা বিচৰাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। কাকতখনে বাজেট অধিৱেশনৰ পূৰ্বে বিৰোধীয়ে সৰ্বদলীয় বৈঠকত নীট আৰু বিহাৰ-অন্ধ্ৰপ্ৰদেশৰ বিশেষ ৰাজ্যৰ মৰ্যাদা প্ৰদানৰ প্ৰসংগ উত্থাপন কৰাৰ বাতৰিটোকো প্ৰথম পৃষ্ঠাত স্থান আছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ধাৰাবাহিক সপ্তম বাজেট দাখিল কৰি অভিলেখ ৰচিবলৈ প্ৰস্তুতি নিৰ্মলাৰ, দিল্লীৰ বাংলাদেশৰ আয়ুক্ত সন্মিলনত সু-প্ৰশাসনৰ ভাষনেৰে প্ৰসংশিত নলবাৰী জিলাৰ জিলা আয়ুক্ত বৰ্ণালী ডেকা, সঁফুৰা বৃত্তি প্ৰদান অনুষ্ঠানত শিক্ষামন্ত্ৰীৰ ব্যক্তিত্ব বিকশিত কৰিবলৈ সৰুৰে পৰা অধ্যয়নৰ অভ্যাস জৰুৰী বুলি মন্তব্য, বিজেপিৰ যুৱ মৰ্চাৰ নতুন সভাপতি ৰাকেশ দাস ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**